**2 0 1 9**

# PHILOSOPHY

( Major )

Paper : 6.1

**( Greek Philosophy )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

1. Answer the following as directed : 1×7=7

তলত দিয়াবোৰৰ নিৰ্দেশানুযায়ী উত্তৰ দিয়া :

(a) "Knowledge is not opinion." Who said this?

"জ্ঞান অভিমত নহয়।" উক্তিটো কাৰ ?

(b) In Plato's pyramid of Ideas, which Idea is in the apex?

প্লেটোৰ মতে ধাৰণাৰ পিৰামিডৰ চূড়ান্ত শীৰ্ষত কোনটো ধাৰণা অৱস্থিত ?

(c) According to Socrates, knowledge is identical with _____.

( Fill in the blank )

ছক্ৰেটিছৰ মতে _____ জ্ঞানৰ সমাৰ্থক।

( খালী ঠাই পূৰণ কৰা )



( Turn Over )

(d) Is Socrates' notion of knowledge similar to Sophists' notion of knowledge?

ছক্রেটিছৰ জ্ঞানৰ ধাৰণা চফিষ্টসকলৰ জ্ঞানৰ ধাৰণাৰ সৈতে একেনেকি ?

(e) Name one famous book written by Aristotle.

এৰিষ্ট'টলে ৰচনা কৰা এখন বিখ্যাত গ্ৰন্থৰ নাম লিখা ।

(f) What is the pure form according to Aristotle?

এৰিষ্ট'টলৰ মতে শ্ৰেষ্ঠ বা পৰম আকাৰ কি ?

(g) "The only wisdom consists in knowing that you know nothing." Who said this?

"যথাৰ্থ জ্ঞান সেৰাহে, যেতিয়া তুমি জানা যে তুমি একো নাজানা ।" উক্তিটো কাৰ ?

**2.** Answer the following questions briefly : 2×4

নিম্নলিখিত প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া :

(a) Write the names of two famous dialogues of Plato.

প্লেটোৰ দুখন বিখ্যাত সংলাপ (dialogue)ৰ নাম লিখা ।

(b) Name two fundamental categories in the philosophy of Aristotle.

এৰিষ্ট'টলৰ দৰ্শনত পোৱা দুটা মৌলিক প্ৰবৰ্গৰ নাম লিখা ।

(c) Name two cardinal virtues according to Socrates.

ছক্রেটিছৰ ব্যাখ্যানুসৰি দুটা শ্ৰেষ্ঠ সদ্‌গুণৰ নাম লিখা ।





(d) What is material cause according to Aristotle? Give definition with example.

এৰিষ্ট'টলৰ মতে উপাদান কাৰণ কাক বোলে ? উদাহৰণৰ সৈতে সংজ্ঞা দিয়া ।

**3.** Answer any *three* of the following questions : 5×3=15

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো তিনিটাৰ উত্তৰ দিয়া :

(a) Write a brief note on Plato's Idea of Highest Good.

প্লেটোৰ 'পৰম শ্ৰেয়' ধাৰণাটোৰ চমু টোকা লিখা ।

(b) How did Plato refute the view that "Knowledge is sense experience"? Write briefly.

"জ্ঞান প্ৰত্যক্ষ নিৰ্ভৰ" মতটো প্লেটোই কেনেদৰে খণ্ডন কৰিছিল, চমুকৈ লিখা ।

(c) Briefly discuss Aristotle's criticism of Plato's theory of Ideas.

প্লেটোৰ ধাৰণাতত্ত্বক এৰিষ্ট'টলে কেনেদৰে সমালোচনা কৰিছে, চমুকৈ আলোচনা কৰা ।

(d) "Virtue can be taught." Explain briefly.

"সদ্‌গুণৰ শিক্ষা দিব পাৰি ।" চমুকৈ ব্যাখ্যা কৰা ।

(e) Explain in brief the principle of dialectic method advocated by Plato.

প্লেটোৰ দ্বন্দ্বাত্মক পদ্ধতিটোৰ চমু ব্যাখ্যা কৰা ।

4. "Virtue is One." Critically explain.

"সদ্গুণ এক।" সমালোচনাৰ সৈতে ব্যাখ্যা কৰা।

*Or / অথবা*

Explain the philosophical method of Socrates.

ছক্রেটিছৰ দার্শনিক পদ্ধতি ব্যাখ্যা কৰা।

5. How is knowledge possible according to Plato? Discuss.

প্লেটোৰ মতে জ্ঞান কিদৰে সম্ভৱ হয়? ব্যাখ্যা কৰা।

*Or / অথবা*

Critically explain Plato's theory of Ideas.

প্লেটোৰ ধাৰণাতত্ত্বক সমালোচনাৰ সৈতে ব্যাখ্যা কৰা।

6. Explain Aristotle's theory of Causation.

এৰিষ্ট'টলৰ কার্য-কাৰণ তত্ত্বটো ব্যাখ্যা কৰা।

*Or / অথবা*

How is Matter different from Form? Explain Aristotle's view of Matter and Form.

উপাদানৰ পৰা আকাৰ কিদৰে পৃথক? এৰিষ্ট'টলৰ মতানুসৰি উপাদান আৰু আকাৰৰ ব্যাখ্যা কৰা।

★★★

**2 0 1 9**

# PHILOSOPHY

( Major )

Paper : 6.2

**( Contemporary Indian Philosophy )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

1. Answer the following questions : 1×7=7

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

*(a)* Mahatma Gandhi's biography was first written by one British author. What was the name of that person?

মহাত্মা গান্ধীৰ জীৱনী প্ৰথম এজন বৃটিছ্ ব্যক্তিৰ দ্বাৰা লিখিত হৈছিল। তেখেতৰ নাম কি?

*(b)* What is the literal meaning of the word 'Sarvodaya'?

'সৰ্বোদয়' শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ কি?

(c) Gandhiji was influenced by two non-Vedic schools of Indian philosophy. What were they?
ভাৰতীয় দৰ্শনৰ দুটা অবৈদিক সম্প্ৰদায়ৰ দ্বাৰা গান্ধীজী প্ৰভাৱিত হৈছিল। সেই সম্প্ৰদায় দুটা কি কি?

(d) Who gave the name 'Mahatma' to Gandhiji?
গান্ধীজীক 'মহাত্মা' নামটো কোনে দিছিল?

(e) From which year Gandhiji started active political life?
কোন চনৰ পৰা গান্ধীজীয়ে সক্ৰিয় ৰাজনৈতিক জীৱন আৰম্ভ কৰিছিল?

(f) Who is the author of the book, *Kingdom of God is Within You*?
*Kingdom of God is Within You* গ্ৰন্থখনৰ লেখক কোন?

(g) From where Gandhiji started the Salt March?
গান্ধীজীয়ে লোণ যাত্ৰা ক'ৰ পৰা আৰম্ভ কৰিছিল?

2. Give short answers to the following : 2×4
তলত দিয়াবোৰৰ চমু উত্তৰ দিয়া :

(a) Mention two essential qualities of a true Satyagrahi.
প্ৰকৃত সত্যাগ্ৰহীৰ দুটা বিশেষ গুণ কি হোৱাটো প্ৰয়োজন?

(b) What is 'bread labour'?
'ৰুটিৰ বাবে শ্ৰম' মানে কি বুজা?

( Continued )



(c) What do you mean by Swadeshi?
স্বদেশী মানে কি বুজা?

(d) Is 'non-violence' a negative term for Gandhi?
গান্ধীৰ বাবে 'অহিংসা' এটা নঞৰ্থক শব্দনে?

3. Write short notes on any *three* of the following : 5×3=15
তলৰ যি কোনো তিনিটাৰ বিষয়ে চমু টোকা লিখা :

(a) Gandhiji's concept of Sarvodaya
গান্ধীজীৰ সৰ্বোদয়ৰ ধাৰণা

(b) Significance of Rama-Nama for Gandhi
গান্ধীৰ বাবে ৰাম-নামৰ গুৰুত্ব

(c) Gandhiji's concept of Chastity (Brahmacharya)
গান্ধীজীৰ ব্ৰহ্মচৰ্যৰ ধাৰণা

(d) Notion of prayer
প্ৰাৰ্থনাৰ ধাৰণা

(e) Distinction between absolute truth and relative truth according to Gandhi
গান্ধীৰ মতে পৰম সত্য আৰু আপেক্ষিক সত্যৰ মাজত পাৰ্থক্য



( Turn Over )

**4.** Answer any *three* of the following questions : 10×3=

তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো তিনিটাৰ উত্তৰ দিয়া :

*(a)* Discuss Gandhi's concept of non-violence. Is Gandhi's concept of non-violence relevant to the present-day society?

মহাত্মা গান্ধীৰ অহিংসা নীতিৰ বিষয়ে আলোচনা আগবঢ়োৱা। বৰ্তমান সমাজত এই নীতিৰ প্ৰাসঙ্গিকতা কিমান?

*(b)* Explain Gandhi's concept of religion.

ধৰ্ম সম্বন্ধে গান্ধীৰ মতামত ব্যাখ্যা কৰা।

*(c)* Discuss the critique of industrialization with reference to Gandhi.

উদ্যোগীকৰণৰ বিষয়ে গান্ধীজীৰ মতাদৰ্শ কেনে আছিল, আলোচনা কৰা।

*(d)* Explain Gandhiji's concept of Truth and God.

সত্য আৰু ঈশ্বৰ সম্পৰ্কে গান্ধীজীৰ ধাৰণা ব্যাখ্যা কৰা।

*(e)* Is Gandhiji's concept of Swadeshi relevant to the present-day economy of India? Discuss.

বৰ্তমানৰ ভাৰতীয় অৰ্থনীতিত গান্ধীজীৰ স্বদেশী ধাৰণা প্ৰাসংগিক নে? আলোচনা কৰা।

*(f)* Critically discuss Gandhiji's concept of Trusteeship.

গান্ধীজীৰ ন্যাস ধাৰণাৰ সমালোচনাত্মক আলোচনা কৰা।

★★★

# 2019

## PHILOSOPHY

( Major )

Paper : 6.3

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

Answer the following questions/Choose the correct option : 1×7=7

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া/শুদ্ধ বিকল্পটো বাচি উলিওৱা :

*(a)* Why is it so difficult to clearly express a definition of existentialism?

অস্তিত্ববাদৰ এটা স্পষ্ট সংজ্ঞা প্ৰকাশ কৰাটো কিয় অতি কঠিন?

*(i)* Existential terms are outside of human comprehension

অস্তিত্ববাদীয় পদসমূহ হৈছে মানৱবোধৰ বহিৰ্ভূত

(ii) Existentialism is considered as a trend or attitude, not a dogma or system

অস্তিত্ববাদক এক প্ৰৱণতা বা ধাৰা হিচাপেহে বিবেচনা কৰা হয়, কোনো এক প্ৰণালীবদ্ধ মত বা পদ্ধতি হিচাপে নহয়

(iii) Existentialism functions outside of the realm of human existence

অস্তিত্ববাদ মানৱ অস্তিত্বৰ জগতখনৰ বাহিৰতহে ক্ৰিয়াশীল

(iv) Existentialism emphasises abstract thinking

অস্তিত্ববাদে বিমূৰ্ত চিন্তাক গুৰুত্ব প্ৰদান কৰে

(b) Which of the following groups of philosophers consists of both theistic and atheistic existentialists?

তলত দিয়া দাৰ্শনিকৰ গোটসমূহৰ ভিতৰত কোনটো ঈশ্বৰবাদী আৰু নিৰীশ্বৰবাদী উভয় প্ৰকাৰৰ অস্তিত্ববাদীৰ দ্বাৰা গঠিত হৈছে?

(i) Kierkegaard, Heidegger, Hegel
কীৰ্কেগাৰ্ড, হাইডেগাৰ, হেগেল

(ii) Husserl, Heidegger, Sartre
হুছাৰ্ল, হাইডেগাৰ, ছাৰ্ত্ৰ





(iii) Heidegger, Sartre, Nietzsche
হাইডেগাৰ, ছাৰ্ত্ৰ, নিৎস্যে

(iv) Heidegger, Jaspers, Nietzsche
হাইডেগাৰ, জেচপাৰ্ছ, নিৎস্যে

(c) Which of the following statements is correct?

তলৰ কোনটো উক্তি শুদ্ধ?

(i) Hegel is an absolute idealist and Husserl supports transcendental idealism.

হেগেল হৈছে এগৰাকী পৰম ভাৱবাদী আৰু হুছাৰ্লে অতিন্দ্ৰীয় ভাৱবাদ সমৰ্থন কৰে।

(ii) Hegel is an absolute idealist but Husserl rejects transcendental idealism.

হেগেল হৈছে এগৰাকী পৰম ভাৱবাদী কিন্তু হুছাৰ্লে অতিন্দ্ৰীয় ভাৱবাদ অস্বীকাৰ কৰে।

(iii) Husserl accepts Hume's scepticism and Hume is an empiricist.

হুছাৰ্লে হিউমৰ সংশয়বাদ সমৰ্থন কৰিছে আৰু হিউম এগৰাকী অভিজ্ঞতাবাদী।

(d) Whether, for Kierkegaard, belief in God is a matter of individual passion or a matter of logic?

কীৰ্কেগাৰ্ডৰ কাৰণে ঈশ্বৰ-বিশ্বাস এক ব্যক্তিগত ভাবাৱেগৰ বিষয় নে যুক্তিৰ বিষয়?

(e) Which of the following pairs is not perfectly matched?
তলত দিয়া যোৰসমূহৰ ভিতৰত কোনটো যোৰ সঠিকভাৱে মিল খোৱা নাই?

(i) Cartesian Meditations : Husserl
Cartesian Meditations : হুছাৰ্ল

(ii) Man is condemned to be free : Sartre
মানুহ স্বাধীন হোৱাৰ বাবে দণ্ডিত : ছাৰ্ত্ৰ

(iii) Concluding Unscientific Postscript : Kierkegaard
Concluding Unscientific Postscript : কীৰ্কেগাৰ্ড

(iv) Either/Or : Nietzsche
Either/Or : নীৎস্যে

(f) In Sartre's philosophy, freedom and responsibility are two mutually exclusive concepts. Is it correct?
ছাৰ্ত্ৰৰ দৰ্শনত স্বাধীনতা আৰু দায়বদ্ধতা পৰস্পৰ বহিৰ্ভূত দুটা ধাৰণা। এইটো শুদ্ধনে?

(g) What is the meaning of the word 'nihil'?
'Nihil' শব্দটোৰ অৰ্থ কি?





2. Answer the following briefly : 2×4=8
তলত দিয়াবোৰৰ চমু উত্তৰ দিয়া :

(a) What is 'transvaluation of values' according to Nietzsche?
নীৎস্যেৰ মতে 'মূল্যৰ মূল্যান্তকৰণ' মানে কি?

(b) Why does despair arise in man's life as stated in the aesthetic stage of existence?
অস্তিত্বৰ সৌন্দৰ্যাত্মক স্তৰ অনুসৰি ব্যক্তি মানৱৰ জীৱনত কেনেকৈ হতাশা উদয় হয়?

(c) What does Sartre mean by the state of abandonment?
ছাৰ্ত্ৰে পৰিত্যক্ত হোৱা অৱস্থাটোৰ দ্বাৰা কি বুজাইছে?

(d) Why can Husserl be called an intuitionist?
হুছাৰ্লক কিয় এগৰাকী স্বজ্ঞাবাদী বুলি ক'ব পাৰি?

3. Write short notes on any *three* of the following : 5×3=15
তলৰ যি কোনো তিনিটাৰ বিষয়ে চমু টোকা লিখা :

(a) Existentialism as a reaction against German idealism
জাৰ্মান ভাৱবাদৰ এক প্ৰতিক্ৰিয়াৰূপে অস্তিত্ববাদ

(b) Ethical stage of human existence in Kierkegaard's philosophy
কীৰ্কেগাৰ্ডৰ দৰ্শনত মানৱ অস্তিত্বৰ নৈতিক স্তৰ



( Turn Over )

(c) Nietzsche's concept of superman

নীৎস্যেৰ অতিমানৱৰ ধাৰণা

(d) Primacy of existence over essence in Sartre's philosophy

ছাৰ্ত্ৰৰ দৰ্শনত সাৰসত্তাৰ তুলনাত অস্তিত্বৰ প্ৰাথমিকতা

(e) Husserl's concept of the 'intentionality of consciousness'

হুছাৰ্লৰ 'চেতনাৰ বিষয়মুখীনতা'ৰ ধাৰণা

**4.** Answer any *three* of the following : 10×3

তলত দিয়াবোৰৰ যি কোনো তিনিটাৰ উত্তৰ দিয়া :

(a) Discuss briefly any five of the general characteristics of existentialism.

অস্তিত্ববাদৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ যি কোনো পাঁচটাৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(b) "Subjectivity is truth." Explain and examine the statement following Kierkegaard.

"আত্মনিষ্ঠতা বা আত্মিকতাই সত্যতা।" কীৰ্কেগাৰ্ডৰ এই উক্তিটোৰ বিচাৰাত্মক ব্যাখ্যা আগবঢ়োৱা।

(c) "Man does not discover his values; he creates them." Explain the statement with reference to Nietzche's nihilism.

( Contin



"মানুহে তেওঁৰ মূল্যক আৱিষ্কাৰ নকৰে; তেওঁ তাক সৃষ্টি কৰে।" নীৎস্যেৰ শূন্যবাদৰ লগত সংগতি ৰাখি উক্তিটো ব্যাখ্যা কৰা।

(d) Give a critical account of Sartre's concept of freedom.

ছাৰ্ত্ৰৰ স্বাধীনতাৰ ধাৰণাটোৰ বিষয়ে এক বিচাৰমূলক ব্যাখ্যা আগবঢ়োৱা।

(e) Distinguish between phenomenology and phenomenalism.

প্ৰতীতিবাদ বা প্ৰতিভাস-বিজ্ঞান (phenomenology) আৰু প্ৰতিভাসবাদ (phenomenalism)ৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰা।

(f) Write a note on descriptive phenomenology.

বৰ্ণনামূলক প্ৰতীতিবাদ বা বৰ্ণনামূলক প্ৰতিভাস-বিজ্ঞানৰ বিষয়ে এটি টোকা লিখা।

★★★

# 2019

## PHILOSOPHY

( Major )

Paper : 6.4

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

1. Answer the following questions/Choose the correct answer : 1×7=7

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া/শুদ্ধ উত্তৰটো বাছি উলিওৱা :

*(a)* Which of the following ethical theories is opposed to Consequentialism?

তলত উল্লিখিত নৈতিক মতবাদসমূহৰ ভিতৰত কোনটো ফলাফল সম্বন্ধীয় মতবাদৰ বিপৰীত ?

*(i)* Hedonism

সুখবাদ

*(ii)* Deontology

কৰ্তব্যমূলক মতবাদ

*(iii)* Egoism

আত্মবাদ বা স্বাৰ্থবাদ

*(iv)* Utilitarianism

উপযোগিতাবাদ

*(b)* Which of the following statements is correct?

তলত দিয়া উক্তিসমূহৰ ভিতৰত কোনটো শুদ্ধ ?

*(i)* Both cynicism and stoicism are forms of rigorism.

চিনিকবাদ আৰু ষ্ট'য়িকবাদ উভয়েই কৃচ্ছ্রতাবাদৰ প্ৰকাৰ।

*(ii)* Cynicism is the only form of rigorism.

চিনিকবাদ হৈছে কৃচ্ছ্রতাবাদৰ একমাত্র প্ৰকাৰ।

*(iii)* Stoicism is the only form of rigorism.

ষ্ট'য়িকবাদ হৈছে কৃচ্ছ্রতাবাদৰ একমাত্র প্ৰকাৰ।

*(iv)* Neither cynicism nor stoicism is a form of rigorism.

চিনিকবাদ নাইবা ষ্ট'য়িকবাদ কোনোটোৱেই কৃচ্ছ্রতাবাদৰ প্ৰকাৰ নহয়।

*(c)* Find out the mismatching pair :

মিল নোখোৱা যোৰটো বাচি উলিওৱা :

*(i)* Critique of practical reason : Kant

ব্যৱহাৰিক বুদ্ধিৰ বিচাৰ : কাণ্ট





*(ii)* Ethics : Normative science

নীতিবিদ্যা : আদৰ্শনিষ্ঠ বিজ্ঞান

*(iii)* Gita's Niskama Karma : Deontology

গীতাৰ নিষ্কাম কৰ্ম : কৰ্তব্যমূলক মতবাদ

*(iv)* Naturalism : Intuitionism

প্ৰকৃতিবাদ : স্বজ্ঞাবাদ

*(d)* Which of the following is the highest ideal of perfect man, according to Gita?

গীতাৰ মতানুসৰি তলত দিয়াবোৰৰ ভিতৰত কোনটো পূৰ্ণমানৱৰ চৰম আদৰ্শ ?

*(i)* Arhant

অৰ্হত্

*(ii)* Bodhisattva

বোধিসত্ত্ব

*(iii)* Sthitaprajna

স্থিতপ্ৰজ্ঞ

*(iv)* Kevalajnani

কেৱলজ্ঞানী

*(e)* The Vedic notion of Rita (Ṛta) is

বৈদিক ঋতৰ ধাৰণাটো হৈছে

*(i)* a moral order only

এক নৈতিক নিয়ম মাত্র

*(ii)* a cosmic order only
এক জাগতিক নিয়ম মাত্ৰ

*(iii)* a legal order only
এক ন্যায়িক বা বিধিগত নিয়ম মাত্ৰ

*(iv)* Both moral and cosmic orders
নৈতিক আৰু জাগতিক উভয় নিয়ম

*(f)* "Eye for an eye and tooth for a tooth." It refers to which theory of punishment?
"চকুৰ সলনি চকু আৰু দাঁতৰ সলনি দাঁত।" ই শাস্তিৰ কোনটো মতবাদ সূচায় ?

*(g)* Moore is a
মূৰ হৈছে এগৰাকী

*(i)* definist / সংজ্ঞাবাদী

*(ii)* non-naturalist / অপ্ৰকৃতিবাদী

*(iii)* naturalist / প্ৰকৃতিবাদী

**2.** Answer the following questions in brief : 2×
তলত দিয়া প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া :

*(a)* What is the difference between act-deontological theory and rule-deontological theory?
কৰ্ম-কৰ্তব্যমূলক মতবাদ আৰু নিয়ম-কৰ্তব্যমূলক মতবাদৰ মাজত পাৰ্থক্য কি ?

( Continu



*(b)* Briefly explain conditional or hypothetical imperative with the help of an example.
এটা উদাহৰণৰ .সহায়ত চৰ্তাধীন আদেশৰ চমু ব্যাখ্যা দিয়া।

*(c)* What do you mean by 'intuitionism' in Ethics?
নীতিশাস্ত্ৰত 'স্বজ্ঞাবাদ' বুলিলে কি বুজা ?

*(d)* What is Kriyamana or Sanciyamana Karma?
ক্ৰিয়মাণ বা সঞ্চয়মান কৰ্ম মানে কি ?

**3.** Write short notes on any *three* of the following : 5×3=15
তলত দিয়াবোৰৰ ভিতৰত যি কোনো তিনিটাৰ বিষয়ে চমু টোকা লিখা :

*(a)* The maxim of categorical imperative as a universal law
এক সাৰ্বজনীন নিয়ম হিচাপে চৰ্তহীন আদেশৰ মূল সূত্ৰ

*(b)* Moore's open question argument
মূৰৰ মুক্ত প্ৰশ্ন যুক্তি

*(c)* Non-cognivist or non-descriptivist meta-ethical theory
অ-জ্ঞানমূলক বা অ-বৰ্ণনামূলক অধিনৈতিক মতবাদ



( Turn Over )

(d) Arguments in favour of capital punishment
মৃত্যুদণ্ডৰ সপক্ষে যুক্তি

(e) Karmavada and transmigration of Soul
আত্মাৰ কৰ্মবাদ আৰু জন্মান্তৰবাদ

4. Answer any *three* of the following questions : 10×3

তলত দিয়া প্ৰশ্নসমূহৰ ভিতৰত যি কোনো তিনিটাৰ উত্তৰ দিয়া :

(a) Give a comparative discussion on Gita's Niskama Karma and Kant's Rationalism.
গীতাৰ নিষ্কাম কৰ্ম আৰু কাণ্টৰ বিচাৰবাদৰ বিষয়ে এক তুলনামূলক আলোচনা আগবঢ়োৱা।

(b) Explain and examine Moore's indefinability of good.
"শ্ৰেয়ৰ কোনো সংজ্ঞা দিব নোৱাৰি"—মূৰৰ এই মতবাদটোৰ এক বিচাৰাত্মক ব্যাখ্যা দাঙি ধৰা।

(c) Explain Ayer's emotivism on the basis of the verification principle of meaning.
অৰ্থৰ সত্যাপন নীতিৰ আধাৰত আয়াৰৰ আৱেগ-বিষয়ক মতবাদটো ব্যাখ্যা কৰা।

(d) Critically discuss the reformative theory of punishment.
শাস্তিৰ সংশোধনাত্মক মতবাদটোৰ বিষয়ে বিচাৰমূলক আলোচনা কৰা।

( Contin



(e) Distinguish between Sakama Karma and Niskama Karma.
সকাম কৰ্ম আৰু নিষ্কাম কৰ্মৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰা।

(f) "Goodwill alone is good in itself." Discuss Kant's view of goodwill with this statement.
"একমাত্ৰ সদিচ্ছাহে স্বতন্ত্ৰভাৱে সৎ।" এই উক্তিটোৰ সহায়ত সদিচ্ছা সম্বন্ধীয় কাণ্টৰ মত আলোচনা কৰা।

***

**2 0 1 9**

# PHILOSOPHY

( Major )

Paper : 6.5

**( Philosophy of Religion )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following questions : 1×7=7

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

*(a)* Write from which word the term 'Numinous' is derived.

'নুমিনাচ' শব্দটো কি মূল শব্দৰ পৰা নিষ্পন্ন হৈছে, লিখা।

*(b)* Write the name of the argument related with the dilemma, "Either there is a 'Necessary Being' or the universe is ultimately unintelligible".

"হয় এক 'অপৰিহাৰ্য সত্তা' আছে, নহয় বিশ্বজগতখন অৰ্থহীন।" এই বিকল্পৰ লগত জড়িত যুক্তিটোৰ নাম কি?

*(c)* Name the most famous book of St. Thomas Aquinas.

চেন্ট থমাচ্ একুইনাচৰ আটাইতকৈ বিখ্যাত গ্ৰন্থখনৰ নাম লিখা।

(d) "As God is the most perfect being, 'existence' must be his necessary attribute." Who is the speaker?
"ঈশ্বৰ যিহেতুকে সম্পূৰ্ণ সত্তা, গতিকে, অস্তিত্ব হ'ব তেওঁৰ অনিবাৰ্য গুণ।" এই কথাষাৰ কোনে কৈছিল?

(e) The three of the four pillars of Sankaradeva's religious philosophy are 'Nama', 'Bhakat' and 'Guru'. What is the remaining pillar?
শংকৰদেৱৰ ধৰ্মীয় দৰ্শনৰ চাৰি খুটিৰ তিনিটা হৈছে 'নাম', 'ভকত' আৰু 'গুৰু'। আনটো কি?

(f) Is the idea of 'Fascination' related to the idea of the 'Holy'?
'সম্মোহন'ৰ ধাৰণাটো 'পৱিত্ৰতা'ৰ ধাৰণাৰ লগত জড়িত হয়নে?

(g) Write the name of the philosopher associated with the 'analogy of the watchmaker'.
'ঘড়ী নিৰ্মাতাৰ উপমা'ৰ লগত জড়িত দাৰ্শনিকজনৰ নাম লিখা।

2. Answer the following questions in brief : 2×4=8
তলত দিয়া প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া :

(a) What is the general meaning of the term 'Holy' according to Otto?
অটোৰ মতে 'পৱিত্ৰতা'ৰ সাধাৰণ অৰ্থটো কি?

(b) Name any two preceptors of Assam Vaishnavism.
অসমৰ বৈষ্ণৱ ধৰ্মৰ যি কোনো দুজন গুৰুৰ নাম লিখা।





(c) What is the place of 'Guru' in Bhakti?
ভক্তিত 'গুৰু'ৰ স্থান কেনেকুৱা?

(d) Name two supporters of the moral argument for the existence of God.
ঈশ্বৰৰ অস্তিত্ব-সম্পৰ্কীয় নৈতিক যুক্তিৰ প্ৰবক্তা দুজনৰ নাম লিখা।

3. Answer any *three* of the following questions : 5×3=15
তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো তিনিটাৰ উত্তৰ দিয়া :

(a) Explain the elements in 'Numinous'.
'নুমিনাচ'ৰ উপাদানসমূহ ব্যাখ্যা কৰা।

(b) Discuss the non-cognitive theory of religious language.
ধৰ্মীয় ভাষাৰ অ-জ্ঞানমূলক মতবাদটো আলোচনা কৰা।

(c) Briefly describe the characteristics of 'symbol' according to Paul Tillich.
পল টিলিকৰ মত অনুসৰি 'প্ৰতীক'ৰ বৈশিষ্ট্যসমূহ চমুকৈ ব্যাখ্যা কৰা।

(d) Discuss some drawbacks of the cosmological argument of the existence of God.
ঈশ্বৰৰ অস্তিত্ব-সম্পৰ্কীয় বিশ্বতাত্ত্বিক যুক্তিৰ দুৰ্বল দিশখিনিৰ আলোচনা কৰা।

(e) What is the relation between God and world according to Sankaradeva?
শংকৰদেৱৰ মতে ঈশ্বৰ আৰু জগতৰ সম্পৰ্ক কেনেকুৱা?

4. Critically explain Otto's idea of the Holy in philosophy of religion. 10

ধৰ্ম দৰ্শনত অটোই দিয়া পৱিত্ৰতাৰ ধাৰণাটোৰ সমালোচনাত্মক ব্যাখ্যা কৰা।

*Or / নাইবা*

Discuss critically the teleological argument for the existence of God.

ঈশ্বৰৰ অস্তিত্ব-সম্পৰ্কীয় উদ্দেশ্যমূলক যুক্তিটোৰ সমালোচনাত্মক আলোচনা কৰা।

5. Discuss in brief the problems of religious language. 10

ধৰ্মীয় ভাষাৰ সমস্যাসমূহৰ চমু আলোচনা কৰা।

*Or / নাইবা*

Discuss the ontological argument for the existence of God.

ঈশ্বৰৰ অস্তিত্ব-সম্পৰ্কীয় তাত্ত্বিক যুক্তিটো আলোচনা কৰা।

6. Explain the salient features of Neo-Vaishnavism. 10

নৱ-বৈষ্ণৱবাদৰ মূল বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।

*Or / নাইবা*

Discuss the relation of God and devotion in Sankaradeva's philosophy.

শংকৰদেৱৰ দৰ্শনত ঈশ্বৰ আৰু ভক্তিৰ সম্পৰ্ক আলোচনা কৰা।

★★★